NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-04-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে।
২। এই পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত ১০২টা সংসদীয় সমষ্টিৰ ভিতৰত অসমৰ কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিও আছে।
৩। নিৰ্বাচন আয়োগে ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।
৪। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ তালেগাঁৱত ৱাৰ্ধা সমষ্টিৰ বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাক সম্বোধন কৰিব। *আৰু*
৫। মুম্বাই ইণ্ডিয়ানছে যোৱা নিশা চণ্ডিগড়ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ৯ ৰানত পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে। এই পৰ্যায়ত অসম, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, বিহাৰ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ৰাজস্থান, তামিলনাডু, অৰুণাচল প্ৰদেশ, উত্তৰাখণ্ড, মণিপুৰ আৰু মেঘালয়সহ ১৭ খন ৰাজ্য আৰু চাৰিটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টি সামৰি লোৱা হৈছে। এই পৰ্যায়ত ১৬ কোটি ৬৩ লাখ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ভিতৰত ৪ কোটি ৪০ লাখ পুৰুষ, ৮ কোটি ২৩ লাখ মহিলা আৰু ১১ হাজাৰ তৃতীয় লিংগৰ ভোটাৰ আছে। প্ৰথম পৰ্যায়ত প্ৰায় ৩৬ লাখ নতুন ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ১ লাখ ৬৩ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ উপৰি ৮৫ বছৰ ঊৰ্ধৰ ১৪ লাখৰো অধিক আৰু প্ৰায় ১৪ লাখ দিব্যাংগ ভোটাৰক ঘৰৰ পৰাই ভোটদান কৰাৰ বিকল্প প্ৰদান কৰা হৈছে। নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো কেন্দ্ৰতে খোৱা পানী, শৌচালয়, হুইল চেয়াৰ, স্বেচ্ছাসেৱক, ৰেম্প আৰু বিদ্যুতৰ দৰে বুনিয়াদী সা-সুবিধাৰ ব্যৱস্থা কৰিছে।

নিৰ্বাচনী প্ৰক্ৰিয়াত নজৰ ৰখাৰ বাবে বিভিন্ন সমষ্টিত ৩৬১ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। ভোটদাতাসকলক প্ৰলোভনৰ ঘটনা ৰোধ কৰাৰ বাবে ৪ হাজাৰৰো অধিক ফ্লায়িং স্কোৱাড, ৫ হাজাৰৰো অধিক পৰিসংখ্যা নিৰীক্ষণ দল আৰু দুহাজাৰৰো অধিক ভিডিঅ' নিৰীক্ষণ দলে অহৰ্নিশে কাম কৰি আছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সুক্ষ্ম পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ ৫০ শতাংশৰো অধিক কেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে।

দেশৰ আন প্ৰান্তৰ লগতে অসমৰ কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সংসদীয় সমষ্টিত ভোটগ্ৰহণ আৰম্ভ হৈছে। সমষ্টিকেইটাত ৮৬ লাখৰো অধিক ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। সমষ্টিকেইটাত কংগ্ৰেছ আৰু বিৰোধী ঐক্যমঞ্চৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। এই পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপি সাংসদ প্ৰদান বৰুৱা, তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈসহ কেইবাগৰাকীও আগশাৰীৰ নেতাৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব।

এই পৰ্যায়ত বিয়লি ৫ বজালৈ ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে।

ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। গোলাঘাট জিলাত এহেজাৰ ৫৯ টা ভোটকেন্দ্ৰ আছে আৰু ইয়াত দুহেজাৰৰো অধিক নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। যোৰহাট সমষ্টিত ১৭ লাখ ১৮ হাজাৰৰো অধিক ভোটদাতা আছে। ইয়াৰে ২৯ হাজাৰ ৪৬২ জন নতুন ভোটদাতা। তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে সকলোকে স্বতন্ত্ৰভাৱে আৰু শুদ্ধ বিবেচনাৰে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। জিলাখনত এই নিৰ্বাচনত ৯ লাখ ৮৫ হাজাৰৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। একেদৰে চৰাইদেউ জিলাৰ ৩৪৪ টা ভোটকেন্দ্ৰৰ ভিতৰত ৪টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা আৰু এটা বিশেষভাৱে সক্ষম বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে জটিল ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু ৫ হাজাৰ ৫০০ৰো অধিক ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে এই কেন্দ্ৰসমূহত সূক্ষ্ম পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ১৪ খন জিলাত নিৰাপত্তা বাহিনীৰ ১০৬টা কোম্পানী নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অৰুণাচল প্ৰদেশ আৰু ছিকিম বিধানসভাৰ একক পৰ্যায়ৰ ভোটগ্ৰহণো আৰম্ভ হৈছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জনসাধাৰণক ভোটদান কৰিবলৈ আহ্বান জনাইছে। দেশৰ ভৱিষ্যত গঢ়াত অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে সকলোকে বিশেষকৈ প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ লাভ কৰা ভোটদাতাসকলক সবলীকৰণৰ এই ক্ষণৰ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কৈছে যে ভাৰত অকল সৰ্ববৃহৎ গণতন্ত্ৰই নহয়, বৰং গণতন্ত্ৰৰ জননীও।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ তালেগাঁৱত ৱাৰ্ধা সমষ্টিৰ বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাক সম্বোধন কৰিব। এই নিৰ্বাচনত তৃতীয়বাৰৰ বাবে বৰ্তমানৰ বিজেপি সাংসদ ৰামদাস তাদাছে মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব।

আনহাতে, মহাবিকাশ আঘাড়ীৰ পৰা NCPৰ শৰদচন্দ্ৰ পাৱাৰ ফৈদে ৱাৰ্ধা সমষ্টিৰ বাবে অমৰ খালেক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। এই সমষ্টিৰ পৰা NCPৰ প্ৰাৰ্থীগৰাকীয়ে প্ৰথমবাৰৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইপিনে, বহুজন সমাজ পাৰ্টিয়ে ড০ মোহন ৰাইকৱাৰক প্ৰক্ষেপ কৰিছে। অহা ২৬ এপ্ৰিলত পশ্চিম বিদৰ্ভৰ ৱাৰ্ধাকে ধৰি আন ৪টা সমষ্টি-অমৰাৱতী, যাৱতমল, ৱাছিম, বুলদানা আৰু আকোলাত ভোটগ্ৰহণ কৰা হ'ব।

ooooo

চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত অহা ১৩ মে'ত দেশৰ ৯ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। প্ৰাৰ্থীসকলে ২৫ এপ্ৰিললৈকে মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ২৯ এপ্ৰিল। ইয়াৰ সমান্তৰালভাৱে ১৭৫ জনীয়া অন্ধ্ৰ প্ৰদেশ বিধানসভা আৰু ওড়িশাৰ ২৮টা বিধানসভা সমষ্টিৰ বাবে প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবেও অধিসূচনা জাৰি কৰা হৈছে। ইপিনে, লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ আজি অন্ত পৰিব। এই পৰ্যায়ত অহা ৭ মে'ত ১০ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪ খন সংসদীয় আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আসন্ন লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনকেইটাত অৰ্থাৎ আজি, ২৬ এপ্ৰিল আৰু ৭ মে' তাৰিখে দুপৰীয়া ১ বাজি ২০ মিনিট আৰু সন্ধিয়া ৭ বাজি ২০ মিনিটত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটি আমাৰ ইউটিউব চেনেল Air News Guwahati আৰু News on AIR এপতো উপলব্ধ হ'ব। আনহাতে, নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত আজি, ২৬ এপ্ৰিল, ৭, ১৩,২০ আৰু ২৫ মে' তথা ১ জুনৰ নিশা ৯ বাজি ২৫ মিনিটৰ আঞ্চলিক বাতৰি নিশা ৯ বাজি ১০ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০

ৰাউজ এভিনিউ আদালতে কালি দিল্লী আৰকাৰী নীতি সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মণিষ ছিছ'দিয়াৰ ন্যায়িক জিম্মাৰ ম্যাদ ২৬ এপ্ৰিললৈ বৃদ্ধি কৰে। ন্যায়ালয়ে ২৬ এপ্ৰিলত গোচৰটোৰ পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব। ন্যায়ালয়ে লগতে বৰ্তমানলৈ পৰীক্ষা নকৰা নথি-পত্ৰসমূহৰ তালিকা প্ৰদান কৰিবলৈ অভিযুক্তগৰাকীক নিৰ্দেশ দিয়ে। ন্যায়ালয়ে ইয়াৰ পূৰ্বে ছিছ'দিয়াৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৮ এপ্ৰিললৈ বৃদ্ধি কৰিছিল।

০০০০০

অহা ২৬ এপ্ৰিলত হ'বলগীয়া লোকসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকাত কেৰালাত তিনিটা দলৰ ৰাষ্ট্ৰীয় নেতাই পূৰ্ণ গতিত নিৰ্বাচনী প্ৰচাৰ চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ৰাজনাথ সিঙে আজি ক'ল্লামত এখন নিৰ্বাচনী সভাত উপস্থিত থাকে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কাইলৈএনডিএৰ প্ৰাৰ্থী তুষাৰ ভেল্লাপপেল্লীৰ হৈ এখন নিৰ্বাচনী সভাত ভাগ ল'ব। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি পালাক্কড় আৰু কোট্টায়মত নিৰ্বাচনী প্ৰচাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীয়ে ক'ড়িক'ডত ৰাজহুৱা সভাত উপস্থিত থাকে। চি পি আইৰ সাধাৰণ সম্পাদক ডি ৰাজায়ো ৰাজ্যখনত নিৰ্বাচনী সভাত ভাগ লয়।

০০০০০

মুম্বাই ইণ্ডিয়ানছে যোৱা নিশা চণ্ডিগড়ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ৯ ৰানত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৭উইকেটৰ বিনিময়ত ১৯২ ৰান কৰে। মুম্বাইৰ হৈ সূৰ্যকুমাৰ যাদৱে ৫৩ টা বলত ৭৮ ৰান কৰে। পাঞ্জাব কিংছৰ হৰ্ষল পেটেলে ৩টা উইকেট দখল কৰে। প্ৰত্যুত্তৰ পাঞ্জাব কিংছে ১৯ অ'ভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ আশুতোষ শৰ্মাই ২৮টা বলত ৬১ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাইৰ হৈ যশপ্ৰীত বুমৰাহে আৰু জেৰেল্ড কোড্‌জিয়ে ৩টাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাৰ আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**